# Prime Minister speaks to His Excellency President Volodymyr Zelenskyy of Ukraine

February 26, 2022

## ইউক্রেইনৰ ৰাষ্ট্ৰপতি ভ'ল'দিমিৰ জেলেনস্কিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপ

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাই ইউক্রেইনৰ ৰাষ্ট্ৰপতি শ্ৰীযুত ভ'ল'দিমিৰ জেলেনস্কিৰ সৈতে বাৰ্তালাপ কৰে।

ৰাষ্ট্ৰপতি জেলেনস্কিয়ে ইউক্রেইনত বৰ্তমানৰ সংঘাতময় পৰিস্থিতিৰ বিষয়ে বিস্তৃতভাবে প্ৰধানমন্ত্ৰীক অৱগত কৰে। সংঘাতৰ বাবে হোৱা প্ৰাণহানি আৰু সম্পত্তিৰ ক্ষয়-ক্ষতিৰ বাবে প্ৰধানমন্ত্ৰীয়ে অতি মৰ্মাহত বুলি সদৰি কৰে। তেওঁ পুনৰ সংঘাত পৰিহাৰ কৰি আলোচনাত বহাৰ আহ্বান জনায়। শান্তি প্ৰক্ৰিয়াত কোনোধৰণ সহায়ৰ প্ৰয়োজন হ'লে, তাৰ বাবে ভাৰত সাজু থকা বলি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতিক সদৰি কৰে।

ইউক্রেইনত বসবাস কৰা ভাৰতীয়সকল, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে প্ৰধানমন্ত্ৰী উদ্বিগ্ন হৈ থকা বুলি ৰাষ্ট্ৰপতিক অৱগত কৰে। দেশখনৰ পৰা ভাৰতীয় নাগৰিকসকলক ক্ষিপ্ৰতাৰে ঘূৰাই অনাৰ বাবে তেওঁ ইউক্রেইন চৰকাৰৰ সহযোগিতা বিচাৰে।

নতুন দিল্লী
ফেব্ৰুৱাৰী 26, 2022

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.